**জনসংযোগ, শোণিতপুৰ** **প্ৰেছ বাৰ্তা নং ২৩১/২০১৯**

**শোণিতপুৰত অসম চুক্তিৰ ৬ নং দফা ৰূপায়ন সন্দৰ্ভত গঠন কৰা উচ্চস্তৰীয় কমিটিৰ শুনানি গ্ৰহণ**

**তেজপুৰ ২৮ নবেম্বৰ:** যোৱা ১৫ জুলাইত কেন্দ্ৰীয় চৰকাৰে গঠন কৰা অসম চুক্তিৰ ৬ নং দফা ৰূপায়নৰ উচ্চস্তৰীয় সমিতিয়ে আজি তেজপুৰত উপস্থিত হৈ শোণিতপুৰৰ লগতে আন ৬খন জিলাৰ বিভিন্ন দল-সংগঠনৰ নেতৃত্বৰ শুনানি গ্ৰহণ কৰে। তেজপুৰ অবৰ্ত্ত ভৱনত আয়োজিত এই উচ্চস্তৰীয় কমিটিত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ নেতৃত্বত অহা দলটিত মহাধিবক্তা ৰমেশ চন্দ্ৰ বৰপাত্ৰগোঁহাই, সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি দীপাংক নাথ, সাধাৰণ সম্পাদক লুৰিণ জ্যোতি গগৈ প্ৰমূখ্যে প্ৰৱক্তা ড০ জয়কান্ত শৰ্মা, বিশিষ্ট লেখক সুমন্ত চলিহা, ভাৰত প্ৰশাসনীয় সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া তথা অসম চুক্তি ৰূপায়ন বিভাগৰ বিশেষ কৰ্মৰত বিষয়া মহদানন্দ হাজৰিকা, অসম চুক্তি ৰূপায়ন বিভাগৰ যুটীয়া সচিব জয়ন্ত গোস্বামী, উপ সচিব প্ৰসান্ত কাঠকটীয়া উপস্থিত থাকে। শুনানি কালত শোণিতপুৰৰ বিভিন্ন দল সংগঠনৰ লগতে হোজাই, দৰং, উদালগুৰি, মৰিগাঁও, নগাঁও, বিশ্বনাথ জিলাৰ পৰা অহা বিভিন্ন ব্যক্তি তথা দল সংগঠনৰ মতামত গ্ৰহণৰ কৰে আৰু শুনানিৰ অন্তত ৬ মাহৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰৰ হাতত কমিতিয়ে প্ৰতিবেদন দাখিল কৰিব । কেন্দ্ৰীয় চৰকাৰে গঠন কৰি দিয়া এই উচ্চস্তৰীয় সমিতিখনে ইতিমধ্যে ৰাজ্যখনৰ ভালেকেইখন জিলাত একেদৰে শুনানি গ্ৰহন কৰিছে আৰু আজি শোণিতপুৰৰ পিছত কালিলৈ যোৰহাট জিলাত শুনানি গ্ৰহণ কৰিব ।